# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। **এখন দেশ এটা নিৰ্বাচন** প্ৰস্তাৱত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন।

২। কাইলৈ ৰাজ্যত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু অতিৰিক্ত ৰেচন কাৰ্ড প্ৰদান ব্যৱস্থাৰ আৰম্ভ।

৩। অহা ১ ডিচেম্বৰত চি-টেট অনুষ্ঠিত হ'ব বুলি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ ঘোষণা।

৪। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ আজি নতুন দিল্লীত এন পি এছ্ বাৎসল্য আঁচনিৰ শুভাৰম্ভ।

**আৰু**

৫। বেংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কাইলৈ ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টেষ্ট আৰম্ভ।

00000000

কেন্দ্ৰীয় কেবিনেটে আজি **এখন দেশ এটা নিৰ্বাচন**ৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠন কৰা সমিতিয়ে দেশৰ সাধাৰণ নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যসমূহতো একেসময়তে নিৰ্বাচন অনুষ্ঠিত কৰা প্ৰস্তাৱ দাখিল কৰিছিল। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয় যে, ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠন কৰি দিয়া সমিতিখনে নিৰ্বাচনৰ সৈতে জড়িত সকলো পক্ষ তথা ৰাজনৈতিক দল আৰু বিশেষজ্ঞৰ সৈতে মত বিনিময় কৰি প্ৰস্তাৱ দাখিল কৰিছিল। লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, **এখন দেশ এটা নিৰ্বাচন**ৰ প্ৰস্তাৱ দুটা পৰ্যায়ত কাৰ্যকৰী কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভা নিৰ্বাচন একেলগে পতা হ'ব। নিৰ্বাচনৰ ১০০ দিনৰ পিছত দ্বিতীয় পৰ্যায়ত গাঁও পঞ্চায়ত, পৌৰ নিগম আদি স্থানীয় নিকায়সমূহৰ নিৰ্বাচন পতা হ'ব।

0000000

ৰাজ্যত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু অতিৰিক্ত ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কাইলৈ শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ দিনৰ ১১ বজাত মাজুলীত এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাতো কাইলৈ অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। গোলাঘাট নগৰৰ জেনেৰেল ফিল্ডত শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি গোলাঘাট জিলা আয়ুক্ত গৰাকীয়ে কাইলৈ হ'বলগীয়া অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। আনহাতে কৰিমগঞ্জৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনত আঁচনিৰ শুভাৰম্ভ কৰিব। জিলা প্ৰশাসনে উত্তৰ কৰিমগঞ্জৰ হিতাধিকাৰীসকলক কাইলৈ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ আহ্বান জনাইছে।

0000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ১ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি টি-টেটৰ বাবে ইতিমধ্যে ১৭ ছেপ্তেম্বৰৰ পৰা অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। আবেদনৰ অন্তিম দিন ১৬ অক্টোবৰ। আবেদনকাৰী প্ৰাৰ্থীসকলে ১৬ অক্টোবৰৰ পুৱা ১২ বজাৰ পূৰ্বে নিৰ্ধাৰিত মাচুল জমা দিব লাগিব। ৰাজ্য চৰকাৰে অসম টেট পৰীক্ষা অনুষ্ঠিত নকৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে পতা চি-টেটৰ গুৰুত্ব বৃদ্ধি পাইছে।

0000000

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিত চিৰাং জিলাত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। ছিদলী বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ বাবে আজি জিলাখনৰ ঢালিগাঁৱত থকা শোধনাগাৰৰ প্ৰেক্ষাগৃহত বিজেপি, ইউ পি পি এল আৰু অগৰ মিত্ৰজোঁটৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰী অশোক সিংঘল, জয়ন্ত মল্লবৰুৱা, উৰ্খাও গৌৰা ব্ৰহ্মৰ লগতে ইউ পি পি এলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অগপ সাংসদ ফণীভূষণ চৌধুৰী, ইউ পি পি এল সাংসদ ৰণগৌড়া নাৰ্জাৰী, জয়ন্ত বসুমতাৰীকে ধৰি তিনিওটা দলৰ বহুকেইগৰাকী নেতা উপস্থিত থাকে। বৈঠকত সমাগত ছিদলী বিধানসভা উপ নিৰ্বাচনৰ ৰণকৌশল আৰু কাম-কাজ সন্দৰ্ভত আলোচনা হয়। মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই অনাগত উপ-নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বেই তিনিওটা দলৰ কৰ্মীসকলক নিৰ্বাচনী প্ৰচাৰৰ বাবে সাজু হ'বলৈ আহ্বান জনায়।

0000000

মানস ৰাষ্ট্ৰীয় উদ্যানৰ মূল প্ৰৱেশদ্বাৰ অহা ১ অক্টোবৰত পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ব। মানস ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক ড° চি ৰমেশে এখন জাননীযোগে এই কথা সদৰি কৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু

জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় তথা ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকাৰী বিধি অনুসৰি মানস ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই ঘোষণা কৰে। ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে পুনৰ জাননী নিদিয়া পৰ্যন্ত ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰৱেশদ্বাৰ পৰ্যটকৰ বাবে মুকলি থাকিব। উল্লেখযোগ্য যে যোৱা ২০ জুনত বাৰিষাৰ পৰিপ্ৰেক্ষিতত প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে বন্ধ কৰা হৈছিল। অহা ১ অক্টোবৰত উদ্যানখন মুকলি কৰাৰ পাছতে পৰ্যটকে উদ্যানখনত জীপ চাফাৰী, হাতী চাফাৰী, ৰিভাৰ ৰাফটিং আদি উপভোগ কৰিব পাৰিব। অৱশ্যে প্ৰতি মঙলবাৰে পূৰ্বৰ দৰে উদ্যানখনত পৰ্যটন সম্পৰ্কীয় কাৰ্যকলাপ বন্ধ ৰখা হ'ব।

০০০০০০০

অসম চৰকাৰৰ ন্যায় বিভাগে বিদ্যুৎ বিকাশ গগৈ নামৰ এজন অতিৰিক্ত লোক অধিবক্তা পদৰ পৰা অপহৰণ কৰিছে। ইয়াৰ সমান্তৰালভাৱে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ লোক অধিবক্তা কাৰ্যালয়ৰ কৰ্মচাৰী কমল নাথ, ব্ৰজেন কুমাৰ দাস আৰু অৰূপ কুমাৰ ডেকাক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। ট্ৰেডিঙৰ নামত চলোৱা প্ৰৱঞ্চনাৰ গোচৰত কালি জিংকি মিলি নামৰ এগৰাকী অভিযুক্তই জামিন লাভ কৰাৰ পাছতে ৰাজ্য চৰকাৰে অতিৰিক্ত লোক অধিবক্তাগৰাকীৰ লগতে কৰ্মচাৰী তিনিজনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। সমগ্ৰ ঘটনা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছত দায়িত্ব আৰু কৰ্তব্যত গাফিলতি কৰা আটাইকেইজন লোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। জানিব পৰা মতে, অতিৰিক্ত লোক অধিবক্তাগৰাকীয়ে ন্যায়ালয়ৰ মজিয়াত শক্তিশালী যুক্তি দাঙি নধৰাৰ বাবে অবৈধ ট্ৰেডিঙৰ গোচৰত অভিযুক্তই অন্তৰৰ্তীকালী জামিন লাভ কৰে। উল্লেখযোগ্য যে অবৈধ ট্ৰেডিং গোচৰৰ অন্যতম অভিযুক্ত চুমি বৰাৰ আত্মীয় জিংকিয়ে অন্তৰৰ্তীকালীন জামিন লাভ কৰিছিল।

০০০০০০০

বি টি আৰৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয় সমিতিয়ে ৰাজ্য চৰকাৰে সোণাপুৰৰ জনজাতীয় খণ্ড আৰু বেষ্টনীত অবৈধ দখল উচ্ছেদ কৰা কাৰ্যক প্ৰশংসা কৰিছে। সমিতিয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক এই পদক্ষেপ গ্ৰহণৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। আজি কোকৰাঝাৰত এখন সংবাদমেল সম্বোধন কৰি সমিতিৰ সভাপতি নিৰঞ্জন ব্ৰহ্ম আৰু সাধাৰণ সম্পাদক গজেন নাৰ্জাৰীয়ে কয় যে জনজাতি অধ্যুষিত এলেকাসমূহ অবৈধ অনুপ্ৰৱেশকাৰীৰ ৰম্যভূমি হিচাপে পৰিগণিত হৈছে। তেওঁলোকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই সময়োপযোগী পদক্ষেপক প্ৰশংসা কৰি ভৱিষ্যতেও এনেধৰণৰ শক্তিশালী পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। তেওঁলোকে ৰাজ্যৰ অন্যান্য জনজাতি অধ্যুষিত স্থানৰ উপৰি বি টি আৰতো অনুৰূপ পদক্ষেপ ল'বলৈ চৰকাৰক আহ্বান জনাইছে। সমিতিয়ে লগতে ২০২৬ চনৰ বনভূমি আইন অনুসৰি জনজাতীয় লোকসকলৰ ভূমি অধিকাৰ সুৰক্ষাৰ বাবে তেওঁলোকক ভূমি আৱণ্টন দিবলৈও আহ্বান জনাইছে।

০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি কামাখ্যা অঞ্চলত বাঘৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে অত্যাধুনিক পাৱাৰ ফেন্সিং দিয়া হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। কামাখ্যা গাঁও হৰিমন্দিৰ প্ৰাংগনত বাঘৰ উপদ্ৰৱ সন্দৰ্ভত স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বাঘৰ উপদ্ৰৱৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক আৰ্থিক সকাহ দিয়াৰ বাবে WWFৰ তৰফৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক প্ৰথম পৰ্যায়ৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে পৰৱৰ্তী সময়তো ৰাইজক সকাহ দিবলৈ ব্যৱস্থা লোৱা হৈছে। তদুপৰি বন্যপ্ৰাণীৰ উপদ্ৰৱৰ পৰা অঞ্চলটো সুৰক্ষিত কৰি ৰখাৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

মাজুলী জিলাৰ অভিভাৱক মন্ত্ৰী লাভৰ পাছত প্ৰথমবাৰৰ বাবে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু জিলাখনত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে বিজেপিৰ মাজুলী জিলা কাৰ্যালয়ত উপস্থিত হৈ দলৰ সদস্যতা অভিযান আৰু অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনি ৰূপায়ণৰ সন্দৰ্ভতো মত বিনিময় কৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় আৰু জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ অসমৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত শিৱসাগৰ যুৱদৌল প্ৰেক্ষাগৃহত আজি জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। জ্যেষ্ঠ নাগৰিকৰ মাজত অনুষ্ঠিত সাংস্কৃতিক সমাৰোহৰ সংগীত প্ৰতিযোগিতাত শিৱসাগৰৰ বিভিন্ন প্ৰান্তৰ অৱসৰী জীৱন কটাই থকা জ্যেষ্ঠ নাগৰিকসকলে সংগীত প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। জ্যোতিসংগীত, ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত মুঠ ১২৩ গৰাকী বয়োজ্যেষ্ঠ প্ৰতিযোগীয়ে গীত পৰিৱেশন কৰে।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত এন পি এছ বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ প্ৰচাৰ-পত্ৰিকা উন্মোচনৰ লগতে নতুন নাবালক উপভোক্তাসকলক স্থায়ী অৱসৰ একাউণ্ট নম্বৰ - প্ৰাণ কাৰ্ড বিতৰণ কৰে। এই আঁচনিৰ জৰিয়তে শিশু

উপভোক্তাসকলক প্ৰাণ নম্বৰেৰে এন পি এছ্‌ বাৎসল্যত অন্তৰ্ভুক্ত কৰা হ'ব। নতুন দিল্লীত আয়োজিত এই কাৰ্যসূচীৰ সমান্তৰালভাৱে সমগ্ৰ দেশৰ প্ৰায় ৭৫টা স্থানত একে সময়তে এই মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে দিল্লীৰ কাৰ্যসূচীৰ সৈতে জড়িত হোৱা অঞ্চলসমূহত নতুন নাবালক উপভোক্তাসকলে যোগদান কৰাৰ লগতে তেওঁলোকক প্ৰাণ সদস্যপদো বিতৰণ কৰা হয়। এই আঁচনিৰ জৰিয়তে অভিভাৱকসকলৰ পেন্সন একাউণ্টত বিনিয়োগেৰে সন্তানৰ ভৱিষ্যত সুৰক্ষাৰ সুবিধা আগবঢ়োৱা হ'ব। এই আঁচনিৰ যোগেদি অভিভাৱকসকলে সন্তানৰ নামত বছৰি ন্যূনতম এহেজাৰ টকাকৈ বিনিয়োগ কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰে এন পি এছ্‌ বাৎসল্য আঁচনিৰ জৰিয়তে সকলোৰে বাবে দীৰ্ঘম্যাদী বিত্তীয় পৰিকল্পনা আৰু নিৰাপত্তাৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতা প্ৰকাশ কৰিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কৈছে যে গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত মহিলাৰ বৃহত্তৰ অংশগ্ৰহণ দেশৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ লগতে মহিলাৰ জীৱন-ধাৰণৰ মান উন্নীতকৰণৰ বাবেও গুৰুত্বপূৰ্ণ। জয়পুৰৰ মালব্য ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ অষ্টাদশ সমাৱৰ্তন সমাৰোহক সম্বোধন কৰি শ্ৰীমতী মুৰ্মুৰে আজি এইদৰে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে মহিলাসকলক সমান সুযোগ প্ৰদান কৰিলে তেওঁলোকে শ্ৰেষ্ঠত্ব অৰ্জন কৰিব পাৰে। তেওঁ কয় যে শেহতীয়াকৈ দেশত বিদ্যালয়ত নামভৰ্তি কৰা ছোৱালীৰ সংখ্যা বৃদ্ধি পোৱাটো সঁচাকৈ আনন্দৰ বিষয়। ৰাষ্ট্ৰপতি মুৰ্মুৰে কয় যে ২০৪৭ চনৰ ভিতৰত দেশক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ লক্ষ্য স্থিৰ কৰা হৈছে। ৰাষ্ট্ৰীয় বিকাশৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰাটো শিক্ষাৰ্থীসকলৰ কৰ্তব্য বুলি শ্ৰীমতী মুৰ্মুৰে প্ৰকাশ কৰে। তেওঁ কয় যে, শিক্ষাৰ্থীসকলে তেওঁলোকৰ জ্ঞানৰ শক্তি আৰু দৃঢ় সংকল্পৰে দেশৰ ভৱিষ্যৎ গঢ়াৰ বাবে আগবাঢ়ি অহা উচিত। শ্ৰীমতী মুৰ্মুৰে লগতে কয় যে, শিক্ষাৰ্থীসকলৰ আশা-আকাংক্ষাসমূহ ৰাষ্ট্ৰৰ অনুৰূপ হোৱাৰ লগতে তেওঁলোকে সমাজ তথা ৰাষ্ট্ৰৰ উন্নয়নৰ পথ প্ৰশস্ত কৰা উচিত। তেওঁ লগতে শিক্ষাৰ্থীসকলক পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পৰা প্ৰচেষ্টাৰ পৰা আঁতৰি থাকিবলৈ আৰু পৰিৱেশৰ সংৰক্ষণৰ বাবে প্ৰযুক্তি বিকশাই তুলিবলৈ আহ্বান জনায়।

০০০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে তিনিচুকীয়া জিলাতো গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সমষ্টিসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। সেই অনুসৰি নিৰ্ধাৰিত নীতি-নিয়মৰ ভিত্তিত জিলা প্ৰশাসনে যুগুতোৱা নতুন সমষ্টিৰ খচৰা তালিকাখন জিলা আয়ুক্তগৰাকীয়ে সংবাদমেলযোগে প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে কয় যে, নতুন নীতি অনুসৰি এটা উন্নয়ন খণ্ড বা আঞ্চলিক পঞ্চায়ত সমষ্টি একাধিক বিধানসভা সমষ্টিত ভাগ হ'ব নোৱাৰে। তদুপৰি জিলা ভিত্তিক খণ্ড আৰু গাঁও পঞ্চায়তৰ সংখ্যাৰো তাৰতম্য হ'ব নোৱাৰে। সেই অনুসৰি শদিয়া সমষ্টিৰ অন্তৰ্গত শদিয়া আৰু ছৈখোৱা আঞ্চলিক পঞ্চায়ত বা উন্নয়ন খণ্ড থাকিব। ডুমডুমা সমষ্টিৰ অন্তৰ্গত ডুমডুমা উন্নয়ন খণ্ড নামেৰে নতুন খণ্ড গঠন কৰা হ'ব। একেদৰে ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ উন্নয়ন খণ্ড, মাকুম সমষ্টিৰ অন্তৰ্গত মাকুম উন্নয়ন খণ্ড, মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত মাৰ্ঘেৰিটা উন্নয়ন খণ্ড, তিনিচুকীয়া সমষ্টিৰ অন্তৰ্গত ইটাখুলি উন্নয়ন খণ্ড হিচাপে পুনৰ গঠন কৰি পূৰ্বৰ কেইবাটাও খণ্ডৰ নাম আৰু সীমাৰ পৰিৱৰ্তনৰ প্ৰস্তাৱ দিয়া হৈছে। অৱশ্যে পুনৰ গঠনৰ পাছতো জিলাখনত উন্নয়ন খণ্ড পূৰ্বৰ দৰে ৭টা আৰু গাঁও পঞ্চায়তৰ সংখ্যা ৮৫ খন হৈ থাকিব। বিভিন্ন সাল-সলনিৰ খচৰা প্ৰস্তাৱ সন্দৰ্ভত কাৰোবাৰ ওজৰ-আপত্তি বা পৰামৰ্শ থাকিলে ২০ ছেপ্তেম্বৰৰ ভিতৰত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব। অহা ২৩ৰ পৰা ২৫ ছেপ্তেম্বৰৰ ভিতৰত জিলা ভিত্তিক ৰাজহুৱা শুনানী গ্ৰহণ কৰা হ'ব আৰু ২৭ ছেপ্তেম্বৰত চূড়ান্ত জাননী জাৰি কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে লগতে ৰাইজক নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰামৰ্শ বা আপত্তি আদি থাকিলে লিখিতভাৱে দাখিল কৰিবলৈ আহ্বান জনাইছে।

একেদৰে গোলাঘাট জিলাৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সীমা নিৰ্ধাৰণ সম্পৰ্কীয় খচৰা প্ৰকাশ কৰাৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে সংবাদমেলক সম্বোধন কৰি জানিবলৈ দিয়ে। খচৰা সন্দৰ্ভত ১৮ৰ পৰা ২০ ছেপ্তেম্বৰৰ ভিতৰত গোলাঘাট জিলা পৰিষদৰ কাৰ্যালয়ত ব্যক্তিগত বা ৰাজহুৱা দল-সংগঠনৰ আবেদন গ্ৰহণ কৰা হ'ব। প্ৰয়োজনীয় শুনানী আৰু সংশোধনৰ অন্তত অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰৰ অধীনৰ ৰাজ্যিক শিশু সুৰক্ষাৰ সহযোগত আৰু তিনিচুকীয়া শিশু সুৰক্ষা সমিতিৰ উদ্যোগত পূৰ্বোত্তৰ বিকাশ পৰিষদৰ জ্ঞানাংকোষ আৱাসীক বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে শিশুৰ সুৰক্ষা আৰু প্ৰতিপালন বিষয়ক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা শিশু সুৰক্ষা বিষয়াৰ উপস্থিতিত হোৱা প্ৰশিক্ষণ কাৰ্যসূচীত জিলা শিশু কল্যাণ সমিতিৰ সদস্য, জিলা শিশু সুৰক্ষা কাৰ্যালয়ৰ বিষয়া, চাইল্ড হেল্পলাইনৰ কৰ্মচাৰী আৰু জিলাখনৰ কেইবাটাও শিশু গৃহৰ অৰ্ধশতাধিক বিষয়া-কৰ্মচাৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে।

০০০০০০০০০

নগাঁও জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলাখনৰ শিক্ষা সমাপ্ত নকৰাকৈ আধাতে বিদ্যালয়ৰ এৰা শিক্ষার্থীসমূহৰ জৰীপ সন্দৰ্ভত এখন পৰিকল্পনা সভা অনুষ্ঠিত হয়। সমীক্ষাৰ জৰিয়তে লাভ কৰা তথ্য ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট প্ৰস্তুতিকৰণৰ বাবে ব্যৱহাৰ কৰা হ'ব। সভাৰ অন্তত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ৩৪ গৰাকী আধাতে বিদ্যালয় এৰা শিক্ষার্থীক প্ৰমাণ-পত্ৰ, গামোচা আৰু কিতাপৰ টোপোলাৰ উপহাৰেৰে সম্বৰ্ধনা জনোৱা হয়। নগাঁও জিলা আয়ুক্তৰ কক্ষত অনুষ্ঠিত সভাত জিলা অতিৰিক্ত আয়ুক্ত, সহকাৰী শ্ৰম আয়ুক্ত, উপ আৰক্ষী অধীক্ষক, সমাজ কল্যাণ বিষয়াৰ লগতে জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ কেইবাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

০০০০০০০০০

ওদালগুৰি জিলাৰ টংলা মহাবিদ্যালয়ত আজি বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ড° বাশীৰাম বড়ো সোঁৱৰণী ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰসকল এই ছাত্ৰাবাসত থাকি উপকৃত হ'ব বুলি সদস্যগৰাকীয়ে মন্তব্য কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে ইউ পি পি এলৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০০০০

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কাইলৈ ভাৰত আৰু বাংলাদেশৰ মাজত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল আৰম্ভ হ'ব। ভাৰতীয় দলটোৰ নেতৃত্ব ৰোহিত শৰ্মাই বহন কৰাৰ বিপৰীতে বাংলাদেশৰ দলটোক নাজমুল হুছেইন শান্তই নেতৃত্ব প্ৰদান কৰিব। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশে দুখন টেষ্ট খেল আৰু তিনিখন টী-টুৱেণ্টী ক্ৰিকেট খেলত অৱতীৰ্ণ হ'ব। টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল কাণপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত ২৭ ছেপ্তেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে, টী-টুৱেণ্টী শৃংখলাৰ প্ৰথমখন খেল ৬ অক্টোবৰত গোৱালিয়ৰ, দ্বিতীয়খন ৯ অক্টোবৰত দিল্লী আৰু তৃতীয়খন খেল ১২ অক্টোবৰত হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ'ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনল'ড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব।

০০০০০০০

মাজুলী কমলাবাৰীৰ পোহাৰদিয়া গাঁও নিবাসী ১৪৩ নম্বৰ পোহাৰদিয়া প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বেথাৰাম শইকীয়াৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ।

০০০০০০০

**সমাপ্ত**